আইনী সাক্ষৰতা শৃংখলা-২

# এতিয়া আৰু চিন্তা নাই

## গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)



সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী
গুৱাহাটী - ৭৮১০০১


No. ASLSA-38/2014/21 Dated: Guwahati the 18 th April '2016

To
The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**Sub:** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

Mridul K Saikia
18/4/2016

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

22/4/16

Encl:
As stated above.

# এতিয়া আৰু চিন্তা নাই

## গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪

## আৰু ২০০৩ (সংশোধিত)

### আইনী সাক্ষৰতা শৃংখলা-২

সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Atiya Aru Chinta Nai (Aur Bat Bon Goyi) :** This book is based on legal awareness for the neoliterates on Pre-conception and Pre-Natal; Diagnostic Techniques Act 1994. This book is prepared by National Literacy Mission Authority and Department of Justice, Govt. of India, New Delhi. This book is translated and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

| | | |
|---|---|---|
| মূল পুথি | : | ঔৰ বাত বন গই |
| পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল | : | নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৰতী শৰ্মা, ফুনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী , দীপাংকৰ দাস, সুস্নাতা গোস্বামী |
| ভাৰত চৰকাৰৰ ন্যায় বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল | : | ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া, গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম |
| প্ৰথম প্ৰকাশ | : | মাৰ্চ ২০১৬ (১০০০) |
| প্ৰকাশক | : | ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম<br>১-চি ডি, মাণ্ডৱী এপাৰ্টমেণ্টছ, জি এন বি ৰোড<br>আমবাৰী, গুৱাহাটী-৭৮১ ০০১ |
| সম্পাদনা | : | অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা |
| মুদ্ৰক | : | শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড<br>বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১ |

# কৃতজ্ঞতা

সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৱে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম ( নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী

# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢ়ুৱৈয়ে আদৰি ল'ব।


**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

# এতিয়া আৰু চিন্তা নাই


ৰাধা আৰু ৰাণী নলে-গলে লগা বান্ধৱী আছিল। দুয়ো একেলগে ডাঙৰ-দীঘল হোৱাৰ লগতে পঢ়া-শুনাও কৰিছিল। ৰাধাৰ বিয়া ঠিক হোৱা দেখি ৰাণীয়ে আনন্দ পাইছিল আৰু দুখো কৰিছিল। দুয়োজনীয়ে ইজনীয়ে সিজনীক এৰি থাকিব বুলি ভাৱি মনতে দুখ পাইছিল।

কিছুদিনৰ পাছত ৰাধাৰ বিয়া হৈ গ'ল। বিয়াৰ পাছত ৰাধা মাকৰ ঘৰলৈ আহিল। ৰাধা আৰু ৰাণী দুয়ো বহু সময় ধৰি কথা-বতৰা হৈছিল। ৰাধাই ৰাণীৰ আগত নিজৰ পৰিয়ালটোৰ কথা কৈছিল। একেদৰে ৰাণীয়ে গাঁৱৰ খেতি-বাতি আৰু পৰিৱেশৰ কথা বিৱৰি কৈছিল।



এইবাৰ ৰাধা এবছৰৰ মূৰত মাকৰ ঘৰলৈ আহিছে। তেওঁ মাকৰ ঘৰত কেইবাদিনো থাকিব। ৰাণীয়ে কথাটো শুনি বৰ ভাল পালে। তেওঁ প্ৰায়েই ৰাধাক লগ পায় থাকিব।

ৰাধাৰ বৰ মৰম লগা ছোৱালী এজনীৰ জন্ম হ'ল। এই কথাত তেওঁৰ শহুৰেকৰ ঘৰখনৰ লোকসকল সন্তুষ্ট নহ'ল। কিন্তু ৰাণীয়ে বৰ আনন্দ পালে। তেওঁ চিকিৎসালয়লৈ আনন্দতে লাৰু পিঠা লৈ গৈ নিজ হাতে সকলোকে বিলালে। এইবোৰ দেখি ৰাণীৰ মাকে ৰাধাক ক'লে — "ৰাধা, তোৰ অবিহনে ৰাণীয়ে সদায় মন মাৰি থাকে। তোৰ লগত থাকিলে তাই বৰ আনন্দ পায়। তই আমাৰ ৰাণীকো তহঁতৰ গাঁৱলৈ লৈ যা, পাৰিলে তাতেই ভাল ল'ৰা এটা চাই সংসাৰখন পাতি দে। দুয়ো একেলগে আনন্দৰে দিনবোৰ কটাব পাৰিবি।"



ভাগ্যক্ৰমে ৰাণীৰ বিয়াখন সেই গাঁৱতে ঠিক হ'ল। দুয়ো বান্ধৱী আনন্দত আত্মহাৰা হ'ল। কিন্তু এই আনন্দ বেছিদিনলৈ নাথাকিল। ৰাণীৰ শহুৰেকৰ ঘৰত নিয়ম-নীতিবোৰ বৰ কঠোৰ আছিল। ৰাণীক শহুৰেকে কাকো লগ কৰিবলৈ বা বাহিৰলৈ ওলাই যাবলৈ নিদিছিল। এনেবোৰ কথাৰ কাৰণে ৰাণীয়ে ৰাধাক লগ পাবলৈ উত্ৰাৱল হৈ পৰিছিল।

এদিনাখন হঠাতে ৰাণীয়ে ৰাধাক এটা মন্দিৰত লগ পালে। দুয়ো প্ৰতি বৃহস্পতিবাৰে মন্দিৰত লগ হোৱাৰ বাবে ঠিক কৰিলে। তেতিয়াৰেপৰা দুয়ো সেই নিৰ্দিষ্ট দিনটোলৈ বাট চাই থাকে। লগ



পোৱাৰ দিনা দুয়ো হিয়া উজাৰি সুখ-দুখৰ কথা পাতে।

এদিনাখন আবেলি মন্দিৰত দুয়ো দুয়োকে লগ পাইছিল, সেইদিনা দুয়োৰে মন উদাস হৈ আছিল। তেওঁলোকৰ মুখাৱয়বত আনন্দৰ চিন নাছিল। মন্দিৰৰ সন্মুখতে দুয়ো বহিছিল। ৰাধাই কৈছিল, "তোক মোৰ বহুত কথা ক'ব লগা আছে।"

ৰাণীয়ে ক'লে, — "মোৰো বৰ দুখ হৈছে অ"?

দুখ! কি দুখ, ক'চোন ক?

নাই, তই আগতে তোৰ কথাবোৰ কচোন।

নহয়, তই আগতে ক! তোৰ কথাবোৰ আগতে শুনি লওঁ দে।

"ঠিক আছে, মই কৈছো শুন", ৰাণীয়ে আৰম্ভ কৰিলে — "কেইদিনমান আগলৈকে মই বৰ সুখী আছিলোঁ ৰাধা। মই মাক হ'বলৈ ওলোৱা খবৰটো গম পাই মনতে বহুত সপোন ৰচিছিলোঁ। মই শাহুমাৰ লগত চিকিৎসকৰ ওচৰলৈ যাব খুজিছিলোঁ। শাহুৱে মোৰ প্ৰথম সন্তানটো ল'ৰা হোৱাটো বিচাৰিছিল। সেইবাবে শাহুমায়ে গৰ্ভত থকা সন্তানটি ল'ৰানে ছোৱালী পৰীক্ষা কৰিবলৈ কৈছিল। মই জানো যে ভ্ৰূণ পৰীক্ষা কৰাটো আইন বিৰোধী কথা। কিন্তু কথাটো শাহুমাক কেনেকৈ কওঁ? কি কৰো এতিয়া? কচোন তইয়েই ক— কি কৰিলে ভাল হ'ব?

ৰাণীৰ কথা শুনি ৰাধা আচৰিত হৈ ক'লে — "হে ভগৱান, এনে ঘটনা তো মোৰ জীৱনটো ঘটিছে, যিটো মই তোক ক'ব খুজিছিলোঁ।

মোৰ ছোৱালীজনী জন্ম হোৱাৰ পাছত পৰিয়ালৰ সকলোৱে অসন্তুষ্ট হৈ পৰিছিল। আৰু বহুত দিনলৈ মোক কথা শুনাইছিল। কিন্তু এইবাৰ তেওঁলোকে আগতীয়াকৈ ভ্ৰূণ পৰীক্ষা কৰাৰ কথা কৈছে। মোৰ বহু ভয় লাগি আছে। আকৌ যদি ছোৱালী হয়। মই সেই বেআইনী কামটো কৰিবলৈ মান্তি হ'মনে ? আশা বাইদেৱে কৈছে যে ভ্ৰূণ পৰীক্ষা কৰাটো অপৰাধ। সেয়ে মই অপৰাধী হ'ব নোখোজো।

ৰাণীয়ে সাহসেৰে ক'লে — "যিয়েই নহওঁক মই এইবোৰ কাম কেতিয়াওঁ নকৰোঁ। এতিয়া ভাবাচোন বাৰু এনেকুৱা পাপৰ পৰা আমি কেনেকৈ মুক্তি পাম।"



দুয়ো কিছুসময় নিৰৱ হৈ থকাৰ পাছত ৰাধাই লাহেকৈ ক'লে, "ভয় নকৰিবি, মই তোৰ লগত আছো, তোক যি সহায় কৰিব লাগে মই কৰিম। বহুত দেৰী হ'ল! ঘৰলৈ যাওঁ ব'ল।" দুয়ো উঠি ঘৰমুৱা হ'ল।

দুদিনমানৰ পাছত ৰাণীক শাহুয়েকে চিকিৎসকৰ ওচৰলৈ লৈ গ'ল। চিকিৎসকজনক দেখা পাই ৰাণীৰ চিনাকি যেন লাগিল। তাই ভাবিলে চিকিৎসক গৰাকীক ক'ত দেখিছিল। হঠাতে তাইৰ মনত পৰিল যে এই চিকিৎসক গৰাকীয়েই এদিন তেওঁলোকৰ বিদ্যালয়লৈ গৈ



গৰ্ভৱতী মহিলাৰ স্বাস্থ্য আৰু চিকিৎসা সম্পৰ্কে বহুতো কথা কৈছিল। তেখেতে ভ্ৰূণহত্যা সম্পৰ্কেও বক্তব্য আগবঢ়াইছিল। ৰাণীৰ মনটো ভাল লাগি গ'ল। তাইৰ মনলৈ সাহস আহিল।

আমি চিকিৎসকৰ কোঠালৈ সোমাই গ'লো। মোক পৰীক্ষা কৰাৰ সময়ত শাহু মাওঁ মোৰ লগত আছিল। সেইবাবে মই চিকিৎসকক একো ক'ব পৰা নাছিলোঁ। সুবিধা বুজি ৰাণীয়ে চিকিৎসকক নিজৰ মনৰ কথাখিনি ক'লে। চিকিৎসকে তাইক সান্ত্বনা দি মনে মনে থাকিবলৈ ক'লে। শাহুৱেকে চিকিৎসকক অকলশৰীয়াকৈ লগ ধৰি গৰ্ভৰ ভ্ৰূণ পৰীক্ষা কৰিবলৈ অনুৰোধ কৰিলে। চিকিৎসকগৰাকীয়ে শাহুয়েকক তেনে কাৰ্য্য কৰিবলৈ বাধা দি ক'লে — ল'ৰাই হওঁক বা ছোৱালীয়েই হওঁক, আমাৰ মনত সকলো সমান। গৰ্ভত থকা অৱস্থাত ভ্ৰূণৰ লিংগ পৰীক্ষা কৰাটো আইনগত অপৰাধ। এনে কৰিলে আপোনাৰ লগতে মোৰো শাস্তি হ'ব।

কোঠাৰ ভিতৰত চিকিৎসক গৰাকীয়ে ৰাণীৰ শাহুৱেকক কথাবোৰ ভালদৰে বুজাই থাকিল। বাহিৰত ৰাণীয়ে আনন্দতে আত্মহাৰা হৈ পৰিল। তাইৰ মনটোত বহু সপোনে জুমুৰি দি ধৰিলে।

**গৰ্ভধাৰণ আৰু প্ৰসৰপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)**

কিছু বছৰ পূৰ্বে সন্তান এটি গৰ্ভত থাকোতেই লিংগ পৰীক্ষা কৰিব পৰা ব্যৱস্থা হৈছে। গৰ্ভত থকা শিশুৰ শাৰীৰিক / মানসিক বিকলাংগতা দূৰ কৰিবৰ বাবে এই ব্যৱস্থা উপযোগী। এই ব্যৱস্থা গৰ্ভস্থ সন্তানৰ অসুস্থতা পৰীক্ষা কৰিব পৰা যায়।

কিন্তু এই ব্যৱস্থাৰ ভুল প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰা বাবে বহুতো সমস্যাৰ সৃষ্টি হৈছে। গৰ্ভস্থ সন্তানটি কন্যা সন্তান বুলি গম পালে গৰ্ভ নষ্ট কৰাৰ উদাহৰণো দেখা গৈছে। ইয়াৰ বাবে কিছুমান অঞ্চলত ল'ৰাৰ অনুপাতে ছোৱালীৰ সংখ্যা কমি যাবলৈ ধৰিছে।

পুৰুষ মহিলাৰ অনুপাত সমভাৱে ৰাখিবলৈ এই আইনখন প্ৰণয়ন কৰা হৈছে। এই আইনখনক গৰ্ভধাৰণ আৰু প্ৰসৱৰ আগৰ প্ৰক্ৰিয়া (লিংগ নিৰ্ধাৰণ নিষেধ) ১৯৯৪ বুলি কোৱা হয়। এই আইনখন ২০০৩ চনত সংশোধন কৰা হৈছে। এই আইনৰ অধীনত কোনো লোকে আগতীয়াকৈ ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰিব নোৱাৰে। কিন্তু বিশেষ পৰিস্থিতি সাপেক্ষে ভ্ৰূণ নিৰ্ণয় কৰিব পৰা যায়।

## তলত দিয়া পৰিস্থিতিসমূহত ভ্ৰূণৰ পৰীক্ষা আইনসন্মত বুলি বিবেচিত হয়

- যেতিয়া গৰ্ভৰ শিশুৰ গুণসূত্ৰ (ক্ৰ'ময'ম) অনিয়মিত হয়।
- গৰ্ভৱতী মহিলাৰ দুই বা ততোধিকবাৰ গৰ্ভপাত হৈছে।
- গৰ্ভৱতী মহিলাৰ বয়স ৩৫ বছৰৰ অধিক হ'লে।
- গৰ্ভৱতী মহিলাই এনে কোনো ঔষধ গ্ৰহণ কৰিছে অথবা চিকিৎসা কৰিছে, যাৰ দ্বাৰা শিশুটি শাৰীৰিক বা মানসিকভাৱে বিকলাংগ হ'ব পাৰে।
- গৰ্ভৱতী মহিলা বা তেওঁৰ পতিৰ পৰিয়ালত মানসিক বা শাৰীৰিক বিকলাংগতাৰ ইতিহাস আছে। কোনো বংশানুক্ৰমিক ৰোগ আছে।

### আইন অনুসাৰে শাস্তি

- যদি কোনো ব্যক্তিয়ে নিজ ইচ্ছাই বা কাৰোবাৰ হেঁচাত পৰি ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰোৱাই, তেন্তে সেইটো অপৰাধ হ'ব। এই অপৰাধৰ শাস্তি ৩ বছৰৰ কাৰাদণ্ড অথবা ১০,০০০ টকা পৰ্য্যন্ত জৰিমনা অথবা দুয়োটাই হ'ব পাৰে।

- লিংগ নিৰ্ণয় কৰোঁৰা ব্যক্তি আৰু নিৰ্ণয় কেন্দ্ৰৰ স্বত্বাধিকাৰ উভয়ৰে শাস্তি হ'ব। এই শাস্তি ৩ বছৰৰ কাৰাদণ্ড অথবা ১০,০০০ টকা পৰ্য্যন্ত জৰিমনা অথবা দুয়োটাই হ'ব পাৰে।
- অপৰাধ দ্বিতীয়বাৰ কৰা অপৰাধীৰ শাস্তি ৫ বছৰৰ কাৰাদণ্ড আৰু ৫০,০০০ টকা জৰিমনা হ'ব পাৰে।
- পৰীক্ষাৰ পাছত ডাক্তৰ বা কম্পাউণ্ডাৰে গৰ্ভস্থ ভ্ৰূণৰ লিংগ সম্পৰ্কে কোৱাটো আইন বিৰুদ্ধ। ইয়াৰ বাবে তেওঁৰো শাস্তি হ'ব পাৰে।
- ডাক্তৰৰ দ্বাৰা এনে অপৰাধ সংঘটিত হ'লে ৫ বছৰৰ বাবে তেওঁৰ পঞ্জীকৰণ বা পঞ্জীয়ন বাতিল হ'ব পাৰে। দ্বিতীয় বাৰ অপৰাধ কৰিলে চিৰকালৰ বাবে তেওঁৰ পঞ্জীয়ন বাতিল কৰি চিকিৎসকৰ তালিকাৰপৰা নাম কৰ্তন কৰা হ'ব।
- লিংগ নিৰ্ধাৰণৰ বিজ্ঞাপন দিয়াও অবৈধ আৰু বে-আইনী। এইধৰণৰ বিজ্ঞাপন দিয়া ব্যক্তি অথবা কেন্দ্ৰৰ ৩ বছৰ কাৰাদণ্ড আৰু ১০,০০০ টকা জৰিমনা হ'ব পাৰে।

## এম.টি.পি. এক্ট ১৯৭১
## (গৰ্ভৰ চিকিৎসা সম্পৰ্কীয় সমাধান)

- লিংগ নিৰ্ণয় আৰু তাৰ পাছত গৰ্ভপাত কৰোৱা দণ্ডণীয় অপৰাধ। কিন্তু কিছুমান পৰিস্থিতিত গৰ্ভপাত কৰোৱা আইন সন্মত হয়।
- এই পৰিস্থিতিসমূহ এম.টি.পি. এক্ট ১৯৭১ (মেডিকেল টাৰ্মিনেচন অৱ প্ৰেগ্নেন্সি এক্ট)ৰ অনুৰূপ হ'ব। এই অধিনিয়মত অন্তৰ্ভুক্ত কেৱল ১২ সপ্তাহৰ ভিতৰত তলত দিয়া পৰিস্থিতিসমূহৰ বাবেহে গৰ্ভপাত কৰোৱাব পাৰি —

  — গৰ্ভধাৰণৰ কাৰণে মাক গৰাকীৰ জীৱন বিপদাপন্ন হ'লে।

  — বলাৎকাৰৰ ফলত গৰ্ভধাৰণ হ'লে।

  — পৰিয়াল পৰিকল্পনাৰ কোনো ব্যৱস্থা বিফল হ'লে।
- গৰ্ভপাত গৰ্ভধাৰণৰ ১২ সপ্তাহৰ ভিতৰত কৰোৱা উচিত। বিশেষ পৰিস্থিতিত দুজন চিকিৎসকৰ তত্বাৱধানত গৰ্ভধাৰণৰ ২০ সপ্তাহ পৰ্য্যন্ত গৰ্ভপাত কৰোৱাব পাৰি। পাঁচ মাহৰ পাছত গৰ্ভপাত কৰোৱাব নোৱাৰি।

## আমি কি কৰিব পাৰোঁ

- আমি নিজৰ পৰিয়ালৰ কোনোৱে গৰ্ভস্থ শিশুৰ লিংগ পৰীক্ষা নকৰাওঁ।
- নিজৰ সম্বন্ধীয়, বন্ধু, ওচৰ-চুবুৰীয়াসকলকো লিংগ পৰীক্ষা কৰোৱাত বাধা দিব পাৰো।
- নিজৰ ওচৰ চুবুৰীয়াৰ কোনো মহিলাই লিংগ পৰীক্ষাৰ ভয়ত আতুৰ হৈ থকা দেখিলে তৎক্ষণাত তেওঁক সহায় কৰক।
- চিকিৎসকে এই সংকল্প লওক যাতে তেওঁ কন্যা ভ্ৰূণ হত্যাৰ অপৰাধ নকৰে।
- যদি আপোনাৰ আশেপাশে এনে ঘটনা সংঘটিত হোৱা দেখে তেনেহ'লে ঘটনাৰ বিষয়ে স্বাস্থ্য বিভাগক জনাওক।
- সমজুৱাভাৱে আলোচনা কৰি ছোৱালীৰ প্ৰতি থকা মনোভাৱ পৰিবৰ্তন কৰক। তেওঁলোককো ল'ৰাৰ সমানে অধিকাৰ প্ৰদান কৰক।
- কিশোৰীসকলক সজাগ কৰক যাতে তেওঁলোকে আহি থকা জীৱনত কেতিয়াও ভ্ৰূণৰ লিংগ পৰীক্ষা কৰি অপৰাধ নকৰে।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)
২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)
৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)
৪) শালীনতাৰ মৰ্য্যদা (আইনী সাক্ষৰতা শৃংখলা-৪)
৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)
৬) আশাৰ ৰেঙণি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)
৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)
৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)
৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)
১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানৱ সৰবৰাহ আইন ১৯৫৬)
১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat


**STATE RESOURCE CENTRE ASSAM**
1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in